# ঈশ্বৰে তেওঁৰ লোক ইস্ৰায়েলসকলক ভাল বিধানবোৰ দিছিল

**প্ৰাৰ্থনা ঃ** “প্ৰভু, আপুনি আপোনাৰ লোকবিলাকক কিবা ভালৰ অৰ্থে প্ৰস্তুত কৰিবলৈ পুৰণি বিধানবোৰ দিছিল, এই বিষয় ল’ৰা-ছোৱালীবিলাকে যেন দেখা পায়, তাৰ কাৰণে সহায় কৰক।”

ল’ৰা-ছোৱালীৰ প্ৰয়োজন আৰু বয়স অনুসৰি কামবোৰ বাছি লওক।


মোচিয়ে দহ আজ্ঞা পাইছিল। ডাঙৰ ল’ৰা বা শিক্ষকে ইস্ৰায়েল জাতিক ঈশ্বৰে কেনেকৈ দহ আজ্ঞা দিছিল সেই বিষয়ে পঢ়ি বা কৈ শুনায়।


ঈশ্বৰে তেওঁৰ বিধান গ্ৰহণ কৰিবলৈ মানুহবিলাকক কেনেকৈ যুগুত কৰিছিল, কওক, যাত্ৰাপুস্তক ১৯ঃ৯-১৩।

চীনয় পৰ্ব্বতত ঈশ্বৰে কি কৰিছিল কওক। যাত্ৰাপুস্তক ১৯ঃ১৬-২৫

প্ৰত্যেকটো আজ্ঞা চমুকৈ বুজাই দিয়ক, যাত্ৰাপুস্তক ২০ঃ১-২১

ল’ৰা-ছোৱালীবিলাকে ছবিখন আঁকিব পাৰে। ডাঙৰ ল’ৰা-ছোৱালীবিলাকে আজ্ঞাবোৰ লিখিব পাৰে।




১। **এই প্ৰশ্নবোৰ সোধক। প্ৰত্যেকটো প্ৰশ্নৰ পিচতে পদেৰে সৈতে উত্তৰবোৰ দিয়া আছে।**

- মানুহবিলাকে ঈশ্বৰক লগ পাবলৈ যাওঁতে পৰ্ব্বতটো কেনেকুৱা আছিল? যাত্ৰাপুস্তক ১৯ঃ১৮।
- মানুহবিলাকে পৰ্ব্বতটো চোৱা হ’লে কি হ’লহেঁতেন? যাত্ৰাপুস্তক ১৯ঃ২৪।
- পৰ্ব্বতটো ধোঁৱাময় হৈ থকা দেখা পাই মানুহবিলাকে কি ভাবিছিল, যাত্ৰাপুস্তক ২০ঃ১৮।
- ঈশ্বৰে মোচিক দিয়া দহ আজ্ঞাবোৰ কি কি আছিল? ল’ৰা-ছোৱালীবোৰক যিমান মনত পেলাব পাৰে সিমান ক’ব দিয়ক।

২। **গালাতীয়া ৫ঃ১৮ “কিন্তু তোমালোক যদি আত্মাৰ দ্বাৰাই চালিত হোৱা, তেন্তে তোমালোক বিধানৰ অধীন নোহোৱা।” পদটি বুজাই দিয়ক।**

- যিহেতু যীচু মৰিল আৰু পুনৰায় উঠিল আৰু আমাৰ লগত বসবাস কৰিবলৈ পবিত্ৰ আত্মাক পঠিয়াই দিলে, আমি সেই পুৰণি চুক্তি পুৰণি বিধানৰ তলত আৰু থাকিব নালাগে। ৰোমীয়া ৬ঃ১৪ “তোমালোক বিধানৰ অধীন নোহোৱা কিন্তু অনুগ্ৰহৰহে অধীন হৈছা” এই পদে আমাক আশ্বাস দিছে।

- ইস্ৰায়েল জাতিক দিয়া পুৰণি বিধান ঈশ্বৰে সম্পন্ন কৰিলে। মথি ৫ঃ১৭ পদ।



- আমি ঈশ্বৰৰ অনুগ্ৰহৰ দ্বাৰাই ৰক্ষা পালো, পুৰণি বিধান পালন কৰি নহয় কিন্তু তেওঁৰ পবিত্ৰ আত্মাৰ ৰূপান্তৰিত কাৰ্য্যৰ দ্বাৰাইহে। ইফিঃ ২ঃ৮-১০ পদ।



- নতুন চুক্তিৰ অধীনত আমি ভয় কৰি নহয়, প্ৰেম থকাৰ কাৰণেহে যীচুৰ আজ্ঞাবোৰ মানি চলো। তেওঁ কৈছে "মোক যদি প্ৰেম কৰা, মোৰ আজ্ঞাবোৰো পালন কৰিবা।" যোহন ১৪ঃ১৫।

যীচুৱে অনেকবোৰ আজ্ঞা দিছিল। তেওঁৰ সেই আজ্ঞাবোৰ সাতটা আজ্ঞা বুলি সংক্ষেপে ক'ব পাৰো, যিবোৰ বিশ্বাসীসকলে পালন কৰিছিল, পাঁচনিৰ কৰ্ম্ম ২ঃ৩৭-৪৭।

১। পাপ স্বীকাৰ কৰা, বিশ্বাস কৰা আৰু পবিত্ৰ আত্মাৰে পৰিপূৰ্ণ হোৱা।

২। বাপ্তাইজিত হোৱা।

৩। প্ৰেম আৰু ক্ষমা কৰা।

৪। প্ৰভুৰ ভোজ পালন কৰা।

৫। প্ৰাৰ্থনা কৰা।

৬। দিয়া।

৭। শিষ্য কৰা।

**৩। মোচিৰ কাহিনীটো আৰু দহ আজ্ঞাবোৰ নাটক কৰি দেখুওৱা।**

উপাসনাৰ সময়ত দেখুৱাবলৈকো ব্যৱস্থা কৰক। আপোনাৰ শিকোৱাৰ সময়খিনি ল'ৰা-ছোৱালী বিলাকক এই পাঁচটা ভাও যুগুত কৰিবলৈ ব্যৱহাৰ কৰক ঃ (১) বৰ্ণনাকাৰী ঃ কাহিনীটো চমুকৈ কয় আৰু ল'ৰা-ছোৱালীবিলাকক কি ক'ব লাগে, সেই বিষয়ে মনত পেলাই দিয়ে, (২) ঈশ্বৰৰ মাত, (৩) মোচি, (৪) পৌল, (৫) ইস্ৰায়েলবিলাকক (সৰু সৰু ল'ৰা-ছোৱালীবোৰ)।

**বৰ্ণনাকাৰী ঃ** নতুন ইস্ৰায়েল জাতি, হাজাৰ হাজাৰ লোকবিলাক কোনো বিধান নোহোৱাকৈ মৰুভূমিত ঘুৰি ফুৰিছিল। তেওঁৰ পবিত্ৰ বিধান গ্ৰহণ কৰিবলৈ ঈশ্বৰে তেওঁলোকক যুগুত কৰি লৈছিল। ঈশ্বৰে তেওঁলোকৰ চলাওঁতা মোচিক কি কৈছিল শুনা।"

**ঈশ্বৰৰ মাত ঃ** ডাঙৰ মাতেৰে যাত্ৰাপুস্তক ১৯ঃ৯-১৫ লৈ ডাঙৰকৈ পঢ়ে।

**বৰ্ণনাকাৰী ঃ** "ইস্ৰায়েলৰ লোকসকলে কি কৈছে শুনা।"

**ইস্ৰায়েলবিলাক ঃ** চিঞঁৰে! পৰ্ব্বতৰ ওপৰত ধোঁৱাখিনি চোঁৱা", - "বিজুলী-ঢেৰেকনী চোঁৱা" - "ঢেৰেকনীয়ে মোক ভয় খুৱাই দিছে!" - "আমি ঈশ্বৰৰ কাষ চাপিব নোৱাৰো, অন্যথা আমি মৰিম!"

**বৰ্ণনাকাৰী ঃ** যাত্ৰাপুস্তক ১৯ঃ১৬-২০ পদ পাঠ কৰে। তাৰ পিছত কয়, ঈশ্বৰে মোচিক কি কৈছে শুনা।"

**ঈশ্বৰৰ মাত ঃ** যাত্ৰাপুস্তক ১৯ঃ২১ পদত থকা ঈশ্বৰৰ বাক্য ডাঙৰকৈ পাঠ কৰে।

**বৰ্ণনাকাৰী ঃ** "বুজাই দিয়ে যে, ঈশ্বৰে মোচিক মানুহবিলাকৰ নিমিত্তে বিধান ল'বলৈ পৰ্বতৰ ওপৰলৈ মাতি পঠিয়াইছিল। তাৰ পিছত কয়, "পৰ্বতৰ ওপৰত ঈশ্বৰে মোচিক কি কৈছিল শুনা।"

**মোচি ঃ** এখন চকীত উঠি যায় আৰু কয়, "আমি এই বিধানবোৰ পালন কৰিম যাতে আপুনি আমাক আশীৰ্ব্বাদ কৰিব।"

**বৰ্ণনাকাৰী ঃ** গালাতীয়া ৫ঃ১৮ পদত কৈছে ঃ তোমালোক যদি আত্মাৰ দ্বাৰাই চালিত হোৱা তেন্তে তোমালোকে বিধানৰ অধীন নোহোৱা। ঈশ্বৰে নতুন নিয়ম স্থাপন কৰাৰ অনেক বছৰৰ পিছত পাঁচনি পৌলে কি কৈছে শুনা।"

**পৌল ঃ** আমাক ৰক্ষা কৰিবলৈ যীচু মৰিল। আমি বিধানৰ অধীন নহওঁ। আমি যীচুক প্ৰেম কৰোঁ বাবেই মানি চলা।

**ইস্ৰায়েলবিলাক ঃ** চিঞঁৰে ঃ "তেনেহ'লে আমি এতিয়া ঈশ্বৰৰ বিধান ভাঙিব পাৰো।" "আমি যি ইচ্ছা তাকেই কৰিব পাৰো।" - "আহাঁ আমি পাপ কৰোঁ, যাতে ঈশ্বৰে আমালৈ আৰু অধিক ক্ষমা আৰু প্ৰেম দেখুৱাব পাৰে।"

**পৌল ঃ** নাই! নাই! ঈশ্বৰ পবিত্ৰ! আমি যীচুক প্ৰেম কৰোঁ বাবেই মানি চলোঁ। আমাক তেওঁ ঈশ্বৰক আৰু ইজনে-সিজনক প্ৰেম কৰিবলৈ আজ্ঞা দিছে। তেওঁৰ পবিত্ৰ আত্মাই আমাৰ হৃদয়ত প্ৰেম জন্মায়। আমি যদি প্ৰেম কৰোঁ, আমি নৰ বধ বা চুৰ বা প্ৰতিমা পূজা নকৰিম। ঈশ্বৰে যি ভাল পায় আমি তাকেহে কৰিম।

**ইস্ৰায়েলবিলাক ঃ** চিঞঁৰে, "ঈশ্বৰে পৰ্বতৰ ওপৰত ধোঁৱা আৰু বিজুলী ঢেৰেকনিৰে দেখা দিবনে? - তেওঁ অতি নিলগত আৰু অতি পবিত্ৰ। - আমি তেওঁৰ কাষ চাপিব নোৱাৰো।" "মই তেওঁৰ লগত কথা পাতিবলৈ ভয় কৰোঁ।"


**পৌল ঃ** নাই! নাই! নাই! নতুন বিধান অনুসৰি ঈশ্বৰ আমাৰ পৰা দূৰত নাই। তেওঁ আমাক থাকে আমি তেওঁৰ লগত পিতৃৰ দৰে কথা পাতিব পাৰো। আমি আৰু এতিয়া তেওঁৰ লগত কথা পাতিবলৈ ভয় নকৰোঁ।"

**বৰ্ণনাকাৰী ঃ** নাটকখন হৈ যোৱাৰ পিছত ল'ৰা-ছোৱলীবিলাকক ধন্যবাদ দিয়ে। ডাঙৰবিলাকে উত্তৰ দিবলৈ তেওঁলোকৰ কিবা প্ৰশ্ন আছে নেকি সোধক (দ্বিতীয় ভাগৰ অন্তৰ্গত থকা প্ৰশ্নবিলাক ডাঙৰবিলাকক সুধিবৰ বাবে তেওঁলোকক যুগুত কৰক)।

**আলোচনা ঃ** ল'ৰা-ছোৱালীবিলাকক সোধে, "পুৰণি বিধান আৰু আমি এতিয়া যীচুক যি ধৰণে মানিছো তাৰ মাজত পাৰ্থক্য কি?" (তেওঁলোকক উদাহৰণ দিবলৈ দিয়ে।)

ধোঁৱা ওলাই থকা পৰ্বতৰ ছবি এখন আঁকি দি ল'ৰা-ছোৱালীবিলাকক চাই আঁকিব দিয়ে। তেওঁলোকৰ ছবিবোৰ উপাসনাৰ সময়ত ডাঙৰবিলাকক দেখুৱাবলৈ কওঁক আৰু ছবিখনে যে ঈশ্বৰৰ পবিত্ৰতাক বুজাইছে সেই কথা বুজাই দিয়ক।

**মুখস্থ কৰক ঃ** মথি ৭ঃ১২ পদ।



**কবিতা ঃ** তিনি গৰাকী ল'ৰা-ছোৱালীৰ প্ৰত্যেককে গীতমালা ১৯ঃ৭, ১০, ১১ পদ একোটাকৈ আওঁৰাবলৈ দিয়ক।

**প্ৰাৰ্থনা ঃ** "প্ৰভু, তুমি পবিত্ৰ! তুমি আমাৰ পাপ ঘিন কৰা। তোমাক ধন্যবাদ দিওঁ আমাৰ পাপবোৰ দেখুৱাই দিয়াৰ বাবে যাতে আমি পাপ স্বীকাৰ কৰিব পাৰো আৰু যীচুত ক্ষমা পাব পাৰো। বিধানে আমাক জোৰ কৰা বাবেহে যে আমি তোমাৰ বাধ্য হ'ব বিচাৰো এনে নহয়, কিন্তু আমি তোমাক প্ৰেম কৰো বাবেহে তোমাৰ বাধ্য হৈছোঁ।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net